# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 14-12-2024
**Time :** 1845 Hrs

# *Assamese Evening Bulletin*
## *HEADLINES*

**- - - - - - - - - - - - - -**

১। ৰাজ্য চৰকাৰৰ বিকাশৰ ১২ দিন কাৰ্যসূচীৰ অংশ হিচাপে আজি কেইবাখনো জিলাত বিভিন্ন উন্নয়নমূলক কাৰ্যসূচীৰ লগতে কেইবাখনো আঁচনিৰ অনুদান বিতৰণ। গোলাঘাটৰ অনুষ্ঠানত মুখ্য মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অংশগ্ৰহণ।

২। গোলাঘাটৰ বগৰিজেঙত নিৰ্মাণ হৈ থকা চিকিৎসা মহাবিদ্যালয়খনত ২০২৬ চনৰ পৰা চিকিৎসা সেৱাৰ পাঠ্যক্ৰম আৰম্ভ কৰিব পৰা হ'ব বুলি মুখ্য মন্ত্ৰীৰ মন্তব্য।

৩। ৰাজ্য চৰকাৰৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ অধীনত কাইলৈ নতুন ৰেচন কাৰ্ড বিতৰণৰ প্ৰথম পৰ্যায়ৰ কাৰ্যসূচী।

৪। লোকসভাত সোমবাৰে **এক দেশ এক নিৰ্বাচন** সন্দৰ্ভত দুখন বিধেয়ক উত্থাপন। ***আৰু***

৫। ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত ব্ৰীছবেনত অনুষ্ঠিত বৰ্ডাৰ গাভাস্কাৰ টেষ্ট শৃংখলাৰ তৃতীয়খন খেলৰ প্ৰথমদিনৰ খেল বৰষুণৰ বাবে বিঘ্নিত।

ooooo

ৰাজ্য চৰকাৰৰ বিকাশৰ ১২ দিন কাৰ্যসূচীৰ অংশ হিচাপে আজি কেইবাখনো জিলাত বিভিন্ন উন্নয়নমূলক কাৰ্যসূচীৰ লগতে কেইবাখনো আঁচনিৰ সাহায্য তথা অনুদান বিতৰণ কৰা হয়। মুখ্য মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গোলাঘাট জিলাত উপস্থিত থাকি অসম মাইক্ৰ'ফাইনেন্স উদগণি আৰু সকাহ আঁচনিৰ অধীনত তৃতীয় বৰ্গৰ ৫ হাজাৰ ১১৯ গৰাকী ঋণগ্ৰস্তক ঋণ ৰেহাই প্ৰমাণ পত্ৰ বিতৰণ কৰে। একেটা অনুষ্ঠানতে প্ৰধানমন্ত্ৰী ক্ষুদ্ৰ খাদ্য প্ৰসংস্কৰণ উদ্যোগ আঁচনিৰ অধীনত ১৮৯ গৰাকীলৈ মূলধনী বিনিয়োগৰ ৰাজ সাহায্য প্ৰদান কৰা হয়। মুখ্য মন্ত্ৰীয়ে দুৰ্যোগত ক্ষতিগ্ৰস্ত ২ হেজাৰ ১১ টা পৰিয়াললৈ আৰ্থিক সাহায্য প্ৰদান কৰে। গোলাঘাটৰ সাহায্য বিতৰণী অনুষ্ঠানৰ লগতে এখন জনসভাত ভাগ লৈ মুখ্য মন্ত্ৰী শৰ্মাই পূৰ্বৰ চৰকাৰৰ নিযুক্তিৰ বিপৰীতে এতিয়া চৰকাৰৰ দিনত অসম লোকসেৱা আয়োগৰ পৰীক্ষা আৰু অন্যান্য নিযুক্তিসমূহ সম্পূৰ্ণৰূপে স্বচ্ছ আৰু নিকা হোৱা বুলি মন্তব্য কৰে।

**বাইট**

গোলাঘাটৰ অনুষ্ঠানত মুখ্য মন্ত্ৰীৰ লগতে মন্ত্ৰী অতুল বৰা আৰু অজন্তা নেওগেও অংশগ্ৰহণ কৰে। ডং শৰ্মাই গোলাঘাটত নিৰ্মীয়মান গোলাঘাট চিকিৎসা মহাবিদ্যালয় আৰু জিলা আয়ুক্ত কাৰ্যালয়ো পৰিদৰ্শন কৰে। গোলাঘাটৰ বগৰিজেঙত নিৰ্মাণ হৈ থকা চিকিৎসা মহাবিদ্যালয়খন পৰিদৰ্শন কৰি মুখ্য মন্ত্ৰীয়ে অহা বছৰ ইয়াৰ কাম সম্পূৰ্ণ হ'ব আৰু ২০২৬ চনৰ পৰা এই চিকিৎসা মহাবিদ্যালয়ত চিকিৎসা সেৱাৰ পাঠ্যক্ৰম আৰম্ভ কৰিব

পৰা হ'ব বুলি প্ৰকাশ কৰে। ৫৮২ কোটি টকা ব্যয়েৰে নিৰ্মাণ সম্পূৰ্ণ কৰিবলগীয়া মহাবিদ্যালয়খনৰ ইতিমধ্যে ৫২ শতাংশ কাম সম্পূৰ্ণ হৈছে বুলি মুখ্য মন্ত্ৰীয়ে জানিবলৈ দিয়ে।

বিকাশৰ ১২ দিন কাৰ্যসূচীৰ অধীনত তিনিচুকীয়াৰ বৰগুৰিত থকা ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ খেলপথাৰত আয়োজিত অনুষ্ঠানত ৰাজ্যৰ শ্ৰম তথা চাহ শ্ৰমিক কল্যাণ বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালাই অংশগ্ৰহণ কৰে। এই অনুষ্ঠানতে তিনিচুকীয়া জিলাৰ ৬০৪ গৰাকী শিক্ষাৰ্থীক আনন্দৰাম বৰুৱা বঁটা হিচাপে নগদ ১২ হাজাৰ ৫০০ টকা আৰু এহেজাৰ ৭৪২ জন শিক্ষাৰ্থীক বাণীকান্ত কাকতি মেধা বঁটা হিচাপে স্কুটি প্ৰদান কৰা হয়। এই অনুষ্ঠানতে নৱম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ মাজত মুখ্য মন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত চাইকেল বিতৰণ কাৰ্যসূচী আনুষ্ঠানিকভাৱে আৰম্ভ কৰা হয়। ইপিনে, মৰিগাঁও জিলাৰ তৰুণৰাম ফুকন খেলপথাৰত আয়োজিত বিকাশৰ ১২ দিন কাৰ্যসূচীত মুখ্য অতিথি হিচাপে মন্ত্ৰী কেশৱ মহন্তই অংশগ্ৰহণ কৰে। এই অনুষ্ঠানতে ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ উদ্যোগত প্ৰাকৃতিক দুৰ্যোগত ক্ষতিগ্ৰস্ত মৰিগাওঁ জিলাৰ ৩২ হাজাৰ ৬৪৪ টা পৰিয়ালক এককালীন সাহায্য প্ৰদান কৰা হয়। একেদৰে উদ্যোগ আৰু বাণিজ্য বিভাগৰ উদ্যোগত প্ৰধানমন্ত্ৰী ক্ষুদ্ৰ খাদ্য প্ৰসংস্কৰণৰ উদ্যোগত প্ৰাৰম্ভিক আৰু মূলধন বিতৰণ আঁচনিৰ অন্তৰ্গত ৯৫ টা আত্মসহায়ক গোটক আৰ্থিক সাহায্য প্ৰদান কৰা হয়। একেটা অনুষ্ঠানতে বিত্ত বিভাগৰ উদ্যোগত মাইক্ৰ'ফাইনেন্স ঋণ ৰেহাই আঁচনিৰ জৰিয়তে জিলাখনৰ ৩ হাজাৰ ৯২৫ গৰাকী মহিলাক ঋণ ৰেহাই প্ৰমাণ পত্ৰ দিয়া হয়। তামুলপুৰত অনুষ্ঠিত বিকাশৰ ১২ দিন অনুষ্ঠানৰ কাৰ্যসূচীত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা উপস্থিত থাকে। অনুষ্ঠানত জিলাখনৰ ৬৬৮ গৰাকী শিক্ষাৰ্থীক ড° বাণীকান্ত কাকতি মেধা বঁটা, ৩৯৮ গৰাকী শিক্ষাৰ্থীক আনন্দৰাম বৰুৱা বঁটা আৰু মুখ্য মন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত নৱম শ্ৰেণীৰ ৫ হাজাৰ ৪২০ গৰাকী শিক্ষাৰ্থীক আনুষ্ঠানিকভাৱে চাইকেল প্ৰদান কৰে।

হাইলাকান্দিত আয়োজিত চৰকাৰৰ বিকাশৰ ১২ দিনৰ অনুষ্ঠানত বৰাক উন্নয়ন মন্ত্ৰী কৌশিক ৰায় মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে ৭৩০ গৰাকী শিক্ষাৰ্থীক বাণীকান্ত কাকতি বঁটা, ৫৬৯ গৰাকী শিক্ষাৰ্থীক আনন্দৰাম বৰুৱা বঁটা আৰু ৬ হেজাৰ ৭৮০ গৰাকী শিক্ষাৰ্থীক আনুষ্ঠানিকভাৱে মুখ্য মন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত চাইকেল বিতৰণ কৰে।

ooooo

ৰাজ্য চৰকাৰৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ অধীনত কাইলৈ নতুন বিধানসভা সমষ্টি ভিত্তিত আনুষ্ঠানিকভাৱে নতুন ৰেচন কাৰ্ড বিতৰণৰ প্ৰথম পৰ্যায়ৰ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। কামৰূপ মহানগৰৰ দুটা বিধানসভা সমষ্টিৰ বাবে সৰুসজাই ষ্টেডিয়ামত এই উপলক্ষে আয়োজিত কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ লগতে মন্ত্ৰী কৌশিক ৰায় উপস্থিত থাকিব। খাদ্য সুৰক্ষা নিশ্চিতকৰণৰ লক্ষ্যৰে প্ৰদান কৰা এই নতুন ৰেচন কাৰ্ডসমূহৰ জৰিয়তে জনসাধাৰণে বিভিন্ন ধৰণৰ সুবিধা লাভ কৰিব। সেই অনুসৰি অন্ত্যোদয়া অন্ন যোজনাৰ ৰেচন কাৰ্ডপ্ৰাপ্ত পৰিয়ালে প্ৰতি মাহে ৩৫ কিলোগ্ৰামকৈ আৰু প্ৰতিটো অগ্ৰাধিকাৰপ্ৰাপ্ত ৰেচন কাৰ্ড থকা পৰিয়ালৰ প্ৰতিগৰাকী সদস্যই মাহিলি ৫ কিলোগ্ৰামকৈ বিনামূলীয়া চাউল লাভ কৰিব। একেদৰে বৰ্তমান ৰন্ধন গেছৰ সংযোগ নথকা ৰেচন কাৰ্ড প্ৰাপ্ত পৰিয়ালে প্ৰধানমন্ত্ৰী উজ্বলা যোজনাৰ অধীনত বিনামূলীয়া ৰন্ধন গেছৰ সংযোগ লাভ কৰিব। তদুপৰি এনে সুবিধাপ্ৰাপ্ত লোকসকলে প্ৰধানমন্ত্ৰী জনআৰোগ্য যোজনা আৰু আয়ুষ্মান অসম মুখ্যমন্ত্ৰী জন আৰোগ্য যোজনাৰ অধীনত বছৰি ৫ লাখ টকা পৰ্যন্ত বিনামূলীয়া চিকিৎসা সেৱাৰ সুবিধা লাভ কৰিব।

ooooo

লোকসভাত অহা সোমবাৰে **এক দেশ , এক নিৰ্বাচন** সন্দৰ্ভত দুখন বিধেয়ক উত্থাপন কৰা হ'ব। কেন্দ্ৰীয় আইন মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে সংবিধান (১২৯ সংখ্যক সংশোধনী) বিধেয়ক আৰু কেন্দ্ৰীয় শাসিত অঞ্চল আইন (সংশোধনী) বিধেয়ক নিম্ন সদনত উত্থাপন কৰিব।

শেহতীয়াকৈ, চৰকাৰে সমগ্ৰ দেশতে একে সময়তে নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে **এক দেশ এক নিৰ্বাচন** ব্যৱস্থা সন্দৰ্ভত বিচাৰ বিবেচনাৰ বাবে গঠন হোৱা উচ্চ পৰ্যায়ৰ সমিতিৰ প্ৰস্তাৱ গ্ৰহণ কৰে। প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দৰ অধ্যক্ষতাত গঠন হোৱা এই উচ্চ পৰ্যায়ৰ সমিতিখনে ৰাজনৈতিক দলৰ নেতা আৰু বিশেষজ্ঞসকলকে ধৰি অন্যান্য অংশীদাৰীসকলৰ সৈতে এই সন্দৰ্ভত বৃস্তিতভাৱে আলোচনা কৰে। **এক দেশ এক নিৰ্বাচন** ব্যৱস্থা দুটা পৰ্যায়ত ৰূপায়ণ কৰা হ'ব। প্ৰথম পৰ্যায়ত লোকসভা আৰু বিধানসভাৰ নিৰ্বাচন একেলগে অনুষ্ঠিত হোৱাৰ বিপৰীতে পঞ্চায়ত আৰু পৌৰসভাৰ দৰে স্থানীয় নিকায়সমূহৰ নিৰ্বাচন সাধাৰণ নিৰ্বাচনৰ ১০০ দিনৰ ভিতৰত অনুষ্ঠিত হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি লোকসভাত সংবিধান বিতৰ্কত ভাগ লয়। প্ৰধানমন্ত্ৰীগৰাকীয়ে সংবিধান বিতৰ্কৰ উত্তৰ দি কয়, যে ভাৰত গণতন্ত্ৰৰ মাতৃ আৰু বিশ্বৰ ভিতৰতে বৃহৎ গণতন্ত্ৰৰ দেশখনৰ বাবে সংবিধানৰ ৭৫ বছৰীয়া এই যাত্ৰা স্মৰণীয়। সংবিধানখনে সংবিধান প্ৰণেতাসকলৰ দৃষ্টিক তেওঁলোকৰ অৱদান আৰু আগুৱাই যোৱাৰ সমাধান দিছে। সংবিধানে ৭৫ বছৰ গৰকাৰ এই সময়খিনি দেশৰ বাবে উদ্‌যাপনৰ সময়। লোকসভাত কালিৰে পৰা হৈ থকা সংবিধান বিতৰ্কত ভাগ লোৱা সকলোকে সম্বোধন কৰি কয়, যে সংবিধানৰ ৭৫ বছৰীয়া এই উদযাপনত অংশগ্ৰহণ কৰাৰ বাবে প্ৰধানমন্ত্ৰীগৰাকীয়ে সকলোকে ধন্যবাদ জনায়। দেশে স্বাধীনতা লাভ কৰাৰ পাছতে ভাৰতৰ সংবিধানে সকলো সম্ভাৱনাৰ দুৱাৰ মুকলি কৰি দিয়ে। সংবিধান বিতৰ্কৰ উত্তৰতে প্ৰধানমন্ত্ৰী মোদীয়ে দেশৰ কোটি কোটি নাগৰিক ৭৫ বছৰীয়া যাত্ৰাৰ অংশীদাৰ হিচাপে প্ৰশংসাৰ পাত্ৰ বুলি মন্তব্য কৰে।

ooooo

উত্তৰ-পূব সীমান্ত ৰে'লৱেই সপ্তাহজোৰা কাৰ্যসূচীৰে যোৱা ৮ ডিচেম্বৰৰ পৰা পালন কৰা **ৰাষ্ট্ৰীয় শক্তি সংৰক্ষণ দিৱস**ৰ আজি সামৰণি পৰে। শক্তিৰ গুৰুত্ব আৰু ইয়াৰ সংৰক্ষণৰ প্ৰয়োজনীয়তাৰ সন্দৰ্ভত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰাৰ লক্ষ্যৰে এই কাৰ্যসূচীৰ আয়োজন কৰা হয়। এই কাৰ্যসূচীৰ লগত সংগতি ৰাখি কালি উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মুখ্য কাৰ্যালয়ৰ চৌহদৰ সমীপত এখন বাটৰ নাট প্ৰদৰ্শন কৰা হয়। এই কাৰ্যসূচীৰ অধীনত বিগত সপ্তাহটোত উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ বিভিন্ন স্থানত শক্তি অপচয় প্ৰতিৰোধৰ বাবে বেনাৰ আৰু শ্ল'গানেৰে পদযাত্ৰা উলিওৱাৰ লগতে উন্নত দৃশ্যমানতা সম্পন্ন ৰে'লৱে চৌহদসমূহত পোষ্টাৰ লগোৱা হয়।

ooooo

জিলা আইন সেৱা প্ৰাধিকাৰীৰ উদ্যোগত আজি ৰাষ্ট্ৰীয় লোক আদালত কামৰূপ মহানগৰ জিলাৰ ৪ খন আদালতত চলি থকা দেৱানী, ফৌজদাৰী, পাৰিবাৰিককে ধৰি অন্যান্য ২৫ হাজাৰ ৯৮২ টা গোচৰৰ ৪ হাজাৰ ৪৫৬ টা গোচৰ নিষ্পত্তি কৰা হয়।

ধুবুৰী জিলা ন্যায়িক আদালতত আজি ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হয়। ধুবুৰী জিলা আইন সেৱা প্ৰাধীকৰণৰ সৌজন্যত ৰাষ্ট্ৰীয় লোক আদালতত বেংক ঋণ আৰু বিদ্যুৎ বিল আদায়কে ধৰি এহেজাৰ ৯৫০ টা

গোচৰ  নিষ্পত্তি কৰা হয়। গোচৰ নিষ্পত্তিৰ জৰিয়তে ২ কোটি ৮৩ লাখ ৫০ হাজাৰ ৫৫৩ টকা সংগ্ৰহ কৰা হয়।

ইপিনে, মাজুলী জিলাত আইন সেৱা প্ৰাধীকৰণ আৰু জিলা ন্যায়পালিকাৰ সহযোগত জিলাখনৰ কেইবাখনো আদালতত ৰাষ্ট্ৰীয়  লোক আদালত অনুষ্ঠিত হয়। জিলাখনৰ ৰাষ্ট্ৰীয় লোক আদালতত এহেজাৰ ১১৬ টা গোচৰ ধাৰ্য কৰা হৈছিল। তাৰে ২৯৮টা গোচৰ নিষ্পত্তি হয় আৰু মুঠ ১৫ লাখ ২৪ হাজাৰ ৮৪৪ টকা আহৰণ কৰা হয়।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটৰ **দৃষ্টিপাত** অনুষ্ঠানত শ্ৰোতাসকলৰ বাতৰি সম্পৰ্কীয় মতামত, অভিযোগ আৰু পৰামৰ্শ বিষয়ক এটি অনুষ্ঠান প্ৰচাৰ কৰিব। অনুষ্ঠানটিত Whatsapp  নম্বৰ ৯৮৬৪০-৫৫৫৬৬ যোগে লাভ কৰা টেক্সট বা ভইচ বাৰ্তাৰ লগতে অনুষ্ঠান চলি থকাৰ সময়তো আগ্ৰহী শ্ৰোতাই ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ এই দুটা নম্বৰত দিয়া অভিমত, প্ৰশ্ন আৰু উত্তৰ আদি প্ৰচাৰ কৰা হ'ব।

০০০০০

অসম নাট্য সন্মিলনৰ উদ্যোগত আৰু সন্মিলনৰ নগাঁও জিলা সমিতিৰ সহযোগত কালিৰে পৰা তিনিদিনীয়াকৈ কেন্দ্ৰীয় শিশু নাট সমাৰোহ অনুষ্ঠিত হৈছে। নগাঁও জিলা পুথিভঁৰালত আয়োজিত এই নাট সমাৰোহত ৰাজ্যৰ বিভিন্ন জিলাৰ ২০টা শিশু নাট্য দলে অংশগ্ৰহণ কৰিছে। আজিৰ অনুষ্ঠানত জিলাখনৰ অগ্ৰণী শিক্ষানুষ্ঠান নৰৰূপ জাতীয় বিদ্যাপীঠৰ কণকণ শিক্ষাৰ্থীসকলে **কুৰুক্ষেত্ৰত খেলিমেলি** শীৰ্ষক এখনী শিশু নাট মঞ্চস্থ কৰে।

০০০০০

সদৌ অসম ছাত্ৰ সন্থা, অসম উন্নতি সভা আৰু অসম সেনাই আজি অম্বিকাগিৰি ৰায় চৌধুৰী স্মাৰক বঁটা প্ৰাপকৰ নাম ঘোষণা কৰিছে। জাতীয় সংগঠন তিনিটাই দৰং জিলাৰ মঙলদৈৰ সুনন্দৰাম ডেকা গোষ্ঠীৰ মুকুল ডেকা, ৰাজীৱ ডেকা আৰু অনুপম ডেকাক এইবাৰৰ অম্বিকাগিৰি ৰায় চৌধুৰী স্মাৰক বঁটা প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। অম্বিকাগিৰি ৰায় চৌধুৰীৰ জন্মদিন ১৮ ডিচেম্বৰত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ প্ৰাঙ্গনত মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত  তিনিওগৰাকীকে এই বঁটা প্ৰদান কৰা হ'ব। উদ্যমিতাৰ ক্ষেত্ৰখনত বিশেষ প্ৰদৰ্শনেৰে নিজৰ লগতে অনেকক সংস্থাপনৰ বাট দেখুৱাই নতুন প্ৰজন্মক অনুপ্ৰাণিত কৰাৰ বাবে সুনন্দৰাম ডেকা গোষ্ঠীৰ সদস্যকেইগৰাকীক এই বঁটা প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

০০০০০

গুৱাহাটীৰ গড়চুক আৰক্ষীয়ে বৰাগাওঁত সংঘটিত দলবদ্ধ ধৰ্ষণৰ ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত কৃষ্ণ বৰ্মন নামৰ আন এটা অভিযুক্তক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে অভিযুক্ত কৃষ্ণ বৰ্মনক ধুবুৰীৰ গোলকগঞ্জৰ পৰা গ্ৰেপ্তাৰ কৰে। বৰাগাওঁৰ ঘটনাটোৰ সৈতে জড়িত থকা তথ্য প্ৰমাণৰ আধাৰত আৰক্ষীয়ে কালি ৮ জনক গ্ৰেপ্তাৰ কৰিছিল। ইয়াকে লৈ এতিয়ালৈ ঘটনাৰ সৈতে জড়িত মুঠ ৯ জন অভিযুক্তক গ্ৰেপ্তাৰ কৰা হৈছে।

০০০০০

লখিমপুৰ জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত লখিমপুৰ বাণিজ্য মহাবিদ্যালয় খেলপথাৰত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে সপ্তম বাৰ্ষিক লখিমপুৰ আন্তঃজিলা এথলেটিক্স চেম্পিয়নশ্বিপ অনুষ্ঠিত হৈছে। ১৪ ৰ পৰা

২০ বছৰ উৰ্ধৰ আৰু অনুৰ্ধৰ দুয়োটা শাখাতে অনুষ্ঠিত হোৱা বিভিন্ন শাখাৰ খেলত জিলাখনৰ দুশৰো অধিক খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে।

ooooo

অসম ক্ৰীড়া সাংবাদিক সন্থাৰ উদ্যোগত আজিৰে পৰা গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামত ১৬ বছৰ অনূৰ্ধৰ আন্তঃবিদ্যালয় প্ৰশিক্ষণ কেন্দ্ৰ প্ৰাইজমানি ক্ৰিকেট প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। আজিৰ উদ্বোধনী খেলত মাছখোৱা ক্ৰিকেট প্ৰশিক্ষণ কেন্দ্ৰই গুৱাহাটী ক্ৰিকেট প্ৰশিক্ষণ কেন্দ্ৰক দুই উইকেটত পৰাস্ত কৰে। প্ৰতিযোগিতাত মুঠ ৮টা দলে অংশগ্ৰহণ কৰিছে। অহা ২১ ডিচেম্বৰত এই প্ৰতিযোগিতাৰ ফাইনেল অনুষ্ঠিত হ'ব।

ooooo

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত ব্ৰীছেবনত অনুষ্ঠিত বৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ তৃতীয়খন খেলৰ আজি প্ৰথমদিনৰ খেল বৰষুণৰ বাবে বিঘ্নিত হয়। আজি প্ৰথমদিনা ১৩ অভাৰ আৰু দুটা বল খেলা অৱস্থাত বৰষুণ অহাত খেল স্থগিত ৰখা হয়। আম্পায়ৰদ্বয়ে ভোজন বিৰতিৰ পাছত খেলপথাৰ নিৰীক্ষণ কৰি আজিৰ দিনটোৰ খেল স্থগিত ঘোষণা কৰে। সেই সময়ত অষ্ট্ৰেলিয়াই এটাও উইকেট নেহেৰুৱাকৈ ২৮ ৰান সংগ্ৰহ কৰিছিল। অষ্ট্ৰেলিয়াৰ অপেনাৰদ্বয় ওছমান খৱাজাই ১৯ ৰাণ আৰু নাথান মেকছুইনীয়ে ৪ ৰাণ কৰি বেট ধৰি আছিল। কাইলৈ দ্বিতীয় দিনৰ খেল নিৰ্ধাৰিত সময়ৰ আধা ঘণ্টা পূৰ্বে আৰম্ভ হ'ব।

ooooo

সমাপ্ত